# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

**Date :** 24-09-2024 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

উত্তৰ বংগৰ মইনাগুৰিত আজি পুৱা এখন মালবাহী ৰে'লগাড়ীৰ কেইবাটাও দবা লাইনৰ পৰা বাগৰি পৰে। ইয়াৰ ফলত অসম আৰু নিউ জলপাইগুৰিৰ মাজৰ ৰে'লপথেৰে চলাচল কৰা কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰা বাতিল কৰা হৈছে, যাত্ৰাপথ সলনি কৰা হৈছে অথবা যাত্ৰাপথ চমুৱা হৈছে।

০০০০০০০০

গোলাঘাট জিলাৰ বিভিন্ন অঞ্চলত যোৱানিশা প্ৰচণ্ড ধুমুহা-বৰষুণে তাণ্ডৱ চলায়। জিলাখনৰ মেৰাপানী, কাছমাৰী, মৰঙী, পকীয়াল, নাৰায়ণপুৰ, শামুকজান, কালিয়নী আদি অঞ্চলৰ বহু লোকৰ ঘৰ-বাৰী তচনচ কৰাৰ লগতে বিদ্যুতৰ খুটা উভালি পৰাত পথ যোগাযোগ আৰু বিদ্যুৎ যোগান বন্ধ হৈ পৰে।

০০০০০০০০

আৰক্ষীয়ে দক্ষিণ কামৰূপৰ গোৱৰ্ধনৰ পৰা নিষিদ্ধ হেৰ'ইনসহ এজন যুৱকক গ্ৰেপ্তাৰ কৰিছে। যুৱকজনৰ পৰা ১০ লাখৰো অধিক মূল্যৰ নিষিদ্ধ ড্ৰাগছ উদ্ধাৰ কৰা হৈছে। ছয়গাঁও থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষীয়ে গোপন তথ্যৰ পম খেদি গুমিৰৰ দিশে যাবলৈ ওলোৱা অৱস্থাত ধুবুৰী জিলাৰ মহামায়া চৰৰ পৰা অহা জীয়াৰুল ইছলাম নামৰ যুৱকজনক হেৰ'ইনসহ গ্ৰেপ্তাৰ কৰে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ কৰিছে। এই সময়ছোৱাত চৰকাৰে আন্তঃগাথনি, সমাজ কল্যাণ, কৃষক, মধ্যবিত্ত শ্ৰেণী, মহিলা আৰু যুৱ প্ৰজন্মৰ বাবে প্ৰায় ১৫ লাখ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। চৰকাৰে দেশৰ গ্ৰামাঞ্চল আৰু আৰ্থিকভাৱে পিছপৰা অঞ্চলৰ মহিলাসকলৰ সৱলীকৰণত গুৰুত্ব আৰোপ কৰি বিশেষভাৱে মহিলাৰ দ্বাৰা পৰিচালিত বিকাশৰ বাবে শক্তিশালী পৰিকাঠামো গঠনৰ দিশত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। দেশক ২০৪৭ চনৰ ভিতৰত উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যৰে নৰেন্দ্ৰ মোদী চৰকাৰে কোনো লোকে বিশেষকৈ মহিলা যাতে বিকাশৰ প্ৰক্ৰিয়াৰ পৰা বাদ পৰি নাযায় তাক নিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। দীনদয়াল অন্ত্যোদয় আঁচনি-ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা অভিযানৰ অধীনত ৯০ লাখৰো অধিক আত্মসহায়ক গোটৰ জৰিয়তে প্ৰায় ১০ কোটি মহিলাক অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰায় এঘাৰ লাখ নতুন লাখপতি দিদিয়ে প্ৰধানমন্ত্ৰীৰ পৰা তেঁওলোকৰ সফলতাৰ চিনৰূপে প্ৰমাণপত্ৰ লাভ কৰিছে। এই বছৰৰ বাজেটত নাৰী শক্তিক লাভান্বিত কৰাৰ উদ্দেশ্যে ৩ লাখ কোটি টকা ধাৰ্য কৰা হৈছে। আনহাতে, মহিলাৰ বাবে সন্মান তথা ঘৰৰ মালিকীস্বত্ত সুনিশ্চিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত প্ৰায় ৩ কোটি অতিৰিক্ত গৃহ নিৰ্মাণ কৰা হ'ব। চৰকাৰে চাৰি লাখ ৩০ হাজাৰ আত্মসহায়ক গোটৰ ৪৮ লাখ সদস্য উপকৃত হোৱাকৈ দুহেজাৰ ৫০০ কোটি টকাৰ পুঁজি মুকলি কৰি দিছে। নাৰী শক্তিক উদযাপন কৰাৰ উদ্দেশ্যে দুই লাখ ৩৫ হাজাৰ আত্মসহায়ক গোটৰ ২৬ লাখ সদস্য উপকৃত হোৱাকৈ পাঁচ হাজাৰ কোটি টকাৰ বেংকৰ ঋণ মুকলি কৰি দিয়া হৈছে। তদুপৰি মহিলা উদ্যোগীসকলৰ সৱলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০

অসম ৰাজ্যিক চিৰিয়াখানালৈ কেইবাবিধো নতুন বন্যপ্ৰাণী অনা হৈছে। চিৰিয়াখানাখনলৈ কালি এহাল কৃষ্ণ মৃগ, একোহাল নীলা আৰু সোণালী ৰঙৰ মাকাউ চৰাই, এটা খড়্গযুক্ত মাইকী গঁড় আৰু এজনী বাঘিনী অনা হৈছে। চিৰিয়াখানাখনত চৰাই আৰু জন্তুৰ এই নতুন সংযোজনে পৰ্যটকসকলক আকৰ্ষিত কৰিব বুলি কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

০০০০০০০০

মাজুলী জিলাৰ নৱম নিযুক্ত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ অধ্যক্ষতাত কালি জিলা আয়ুক্তৰ সভাকক্ষত ২৯ ছেপ্টেম্বৰত হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা (স্নাতক পৰ্যায়) আৰু গাড়ীচালক (উচ্চতৰ মাধ্যমিক পৰ্যায়) অনুষ্ঠিত কৰাৰ প্ৰস্তুতি সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়। উক্ত পৰীক্ষাৰ লগত জড়িত সকলো বিষয়া উপস্থিত থকা সভাখনত নিৰাপত্তাকে ধৰি সকলো বিষয়ৰ ওপৰত বিতংভাৱে আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে সকলো বিষয়াক আগন্তুক ২৯ ছেপ্টেম্বৰৰ পৰীক্ষা যাতে সুকলমে অনুষ্ঠিত কৰিব পৰা যায় সেয়া নিশ্চিত কৰিবলৈ সকলোকে নিজ নিজ দায়িত্ব নিয়াৰিকৈ পালন কৰিবলৈ আহ্বান জনায়। ইয়াৰ লগতে জিলাখনত পৰীক্ষা যাতে চৰকাৰী নীতি-নিৰ্দেশনা অনুসৰি শৃংখলাবদ্ধভাৱে আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয় সেয়া নিশ্চিত কৰিবলৈও সংশ্লিষ্ট বিষয়াসকলক জিলা আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে । 0000000

**সমাপ্ত**